বোৱাৰী নিলীমা দাসৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। গুৱাহাটী খ্ৰীষ্টানবস্তি নিবাসী তথা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰসূতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডাঃ ৰজনীকান্ত দাসৰ পত্নী নিলীমা দাসৰ মৃত্যুৰ সময়ত ৭৯ বছৰ বয়স হৈছিল। আজি পুৱা নিজ বাসভৱনত সমাজসেৱী মহিলাগৰাকীয়ে ইহলীলা সম্বৰণ কৰে। অসম আন্দোলনত সক্ৰিয়ভাৱে জড়িত সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত গুৱাহাটীৰ খ্ৰীষ্টানবস্তি, ৰিহাবাৰী, দীঘলীপুখুৰী আদিৰ লগতে হাউলী, মৌটুপুৰী অঞ্চলতো শোকৰ ছাঁ পৰে। অতিথি অপ্যায়নক মূলমন্ত্ৰ হিচাপে লোৱা নিলীমা দাসে মৃত্যুৰ সময়ত চিকিৎসক স্বামীসহ দুই পুত্ৰ-বোৱাৰী, জী-জোঁৱাইকে ধৰি কেবাজনো নাতি-নাতিনী আৰু আত্মীয়ক এৰি গৈছে। তেওঁ স্বামীৰ কৰ্মসূত্ৰে গুৱাহাটীৰ খ্ৰীষ্টানবস্তিত বাস কৰিছিল যদিও হাউলীৰ শিপাডালক কেতিয়াও এৰি দিয়া নাছিল। আজি বিয়লি নৱগ্ৰহ শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়-পতঞ্জলি যোগপীঠৰ চুক্তি স্বাক্ষৰ

## দৈনন্দিন জীৱনত যোগৰ প্ৰয়োজনীয়তা শীৰ্ষক আলোচনা চক্ৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ মে' ঃ** গোৱালপাৰা জিলাৰ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় আৰু পশ্চিম অসমৰ পতঞ্জলি যোগপীঠৰ মাজত যোৱা ২০ মে'ত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। মহাবিদ্যালয়খনৰ সভাকক্ষত অনুষ্ঠিত হোৱা উক্ত বুজাবুজি চুক্তি স্বাক্ষৰ অনুষ্ঠানত আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মা, ভাৰত স্বাভিমান সংঘৰ পশ্চিম অসমৰ প্ৰভাৰী বিদ্যাধৰ কুম্ভকাৰ, পশ্চিম অসমৰ পতঞ্জলি যোগ সমিতিৰ প্ৰভাৰী ৰাজু শৰ্মা আৰু মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে। এই বুজাবুজি চুক্তি কৰি বিদ্যাধৰ কুম্ভকাৰে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ যোগ কৰ্মশালা মহাবিদ্যালয়ত অনুষ্ঠিত কৰিব বুলি মত পোষণ কৰে। অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাই যোগৰ এটি ডিপ্লমা চাৰ্টিফিকেট পাঠ্যক্ৰম গোৱালপাৰাৰ আমজোগংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত খুলিব লাগে বুলি ব্যক্ত কৰে। বুজাবুজি চুক্তিৰ অন্তত 'দৈনন্দিন জীৱনত যোগৰ প্ৰয়োজনীয়তা' বিষয় শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সুদীপ্তা ফুকনে আঁত ধৰা উক্ত আলোচনা চক্ৰটোত সঞ্চালনা কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাই। উক্ত আলোচনা চক্ৰত ভাৰত স্বাভিমান সংঘৰ পশ্চিম

১৩ পৃষ্ঠাত চাওক

Scanned with OKEN Scanner

... সম্বৰ্ধনা জনোৱা হয়। সভাত চিআৰচিচৰ মাজগাঁও ক্লাষ্টাৰৰ অনুপ নাথ উপস্থিত থকে। বিদ্যালয়ৰ ছাত্ৰী প্ৰিয়া তালুকদাৰে শলাগৰ শৰাই আগবঢ়াৱাৰ পাছত জাতীয় সংগীত পৰিৱেশনৰে সভা সমাপ্ত কৰে।

# পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ

১২ পৃষ্ঠাৰ পৰা অসমৰ প্ৰভাৰী বিদ্যাধৰ কুম্ভকাৰে মানুহৰ জীৱনত যোগ শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। যোগাভ্যাস কেৱল শৰীৰ চৰ্চা আৰু আসন নহয়, ই এক জীৱনশৈলী। তাৰ লগত শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু স্বাস্থ্য জড়িত হৈ আছে। তেওঁ ভাৰতীয় ধৰ্ম, সংস্কৃতিৰ গুৰুত্ব আৰু সমাজত ইয়াৰ প্ৰভাৱ কমি যোৱা বাবে হোৱা অনিয়ম, অনাচাৰৰ কথা উল্লেখ কৰে। সকলো মানুহে নিজৰ ধৰ্ম, সংস্কৃতিৰ সন্মান আৰু আদৰ কৰা আৰু নিজৰ জীৱনত মানি চলা খুবেই প্ৰয়োজন। বৰ্তমান সময়ত আধুনিক চিকিৎসা বিজ্ঞানত যোগ অন্তৰ্ভুক্ত কৰিছে আৰু সমগ্ৰ বিশ্বৰ মানুহে ইয়াক আঁকোৱালি লৈছে বুলি বিদ্যাধৰ কুম্ভকাৰে উল্লেখ কৰে। ইপিনে, পতঞ্জলি যোগ সমিতিৰ পশ্চিম অসমৰ প্ৰভাৰী ৰাজু শৰ্মাই যোগ সম্পৰ্কে প্ৰাচীন কালৰ পৰা চলি অহা ভাৰতীয় সংস্কৃতিৰ গুৰুত্বৰ কথা আলোচনা কৰি বিভিন্ন যোগাভ্যাসৰ নিয়ম আৰু আসনসমূহৰ উপকাৰিতাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাই এক বিবৃতিযোগে জানিবলৈ দিয়ে।